REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 16-10-2025 **Time :** 1205 Hrs.

Assamese Midday Bulletin

০০০০০০০

ৰাজ্য চৰকাৰে যোৱা এপ্ৰিলত অনুষ্ঠিত কৰা ঝুমইৰ বিনন্দিনী শীৰ্ষক সাংস্কৃতিক অনুষ্ঠানত অংশগ্ৰহণ কৰা চাহ জনগোষ্ঠীৰ যুৱক-যুৱতীসকলক আজি খানাপাৰাৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেলপথাৰত আয়োজিত অনুষ্ঠানত প্ৰশংসা-পত্ৰ আৰু মাননী প্ৰদান কৰে। এই অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, সাংস্কৃতিক মন্ত্ৰী বিমল বৰাৰ লগতে কেইবাগৰাকীও সাংসদ আৰু বিধায়ক উপস্থিত থাকে। উল্লেখযোগ্য যে চৰকাৰে সাংস্কৃতিক কাৰ্যসূচীত অংশগ্ৰহণ কৰা চাহ জনগোষ্ঠীৰ যুৱক-যুৱতীসকলক যোৱা ছেপ্তেম্বৰত মাননি প্ৰদানৰ বাবে চিন্তা-চৰ্চা কৰিছিল যদিও বিভিন্ন কাৰণত সেয়া সম্ভৱ নহ'ল। সেয়ে কাইলৈ এইসকল যুৱক-যুৱতীক গুৱাহাটীত সম্বৰ্ধনা জনোৱা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে সদৰী কৰিছে।

০০০০০০০

অসম চৰকাৰে ৰাজ্যৰ ১২৬টা বিধানসভা সমষ্টিক সামৰি ৰূপায়ণ কৰা **শুশ্ৰূষা সেঁতু** শীৰ্ষক কাৰ্যসূচীৰ অধীনত আজি ৰাজ্যৰ ১১ টা বিধানসভা সমষ্টিত বৃহৎ স্বাস্থ্য শিবিৰ মুকলি কৰা হয়। ইয়াৰ ভিতৰত বাক্সা জিলাৰ মানস, বঙাইগাঁৱৰ সৃজনগ্ৰাম, কাছাৰৰ কাটিগড়া, চিৰাঙৰ বিজনী আৰু ধুবুৰী জিলাৰ বিলাসীপাৰা সমষ্টি আছে। একেদৰে গোৱালপাৰাৰ পশ্চিম গোৱালপাৰা, হোজাইৰ লামডিং, যোৰহাট, কামৰূপ মহানগৰৰ গুৱাহাটী চেণ্ট্ৰেল, নগাঁৱৰ চামগুৰি আৰু দৰং জিলাৰ মঙলদৈত এই স্বাস্থ্য শিবিৰ অনুষ্ঠিত হৈছে। স্বাস্থ্য মন্ত্ৰী অশোক সিংহলে এই বিষয়ে প্ৰকাশ কৰি কয়, যে এই স্বাস্থ্য শিবিৰসমূহত লাভ কৰা আশাব্যঞ্জক সঁহাৰিয়ে নতুন প্ৰজন্মৰ সুস্বাস্থ্য নিশ্চিত কৰিব। কালি ৰাজ্যৰ ৭ টা বিধানসভা সমষ্টিত স্বাস্থ্য শিৰিৰ অনুষ্ঠিত হৈছিল। দৰং জিলাৰ মঙলদৈৰ দাহি বালিকা বিদ্যাপীঠ উচ্চ মাধ্যমিক বিদ্যালয়ত আজি দ্বিতীয়টো শিৰিৰ অনুষ্ঠিত হ'ব। গুৱাহাটী আৰু তেজপুৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালত ২১ গৰাকী বিশেষজ্ঞ চিকিৎসককে ধৰি ৫১ গৰাকী চিকিৎসকে ৫০ বিধ ৰোগৰ চিনাক্তকৰণৰ বাবে বিনামূলীয়া চিকিৎসা প্ৰদান কৰিব। জিলাখনৰ প্ৰথমটো এনে শিবিৰ যোৱা ২০ ছেপ্তেম্বৰত দলগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয় খেল-পথাৰত অনুষ্ঠিত হৈছিল। তৃতীয় তথা অন্তিমটো শিবিৰ ছিপাঝাৰ সমষ্টিৰ বাবে মুকলি কৰা হ'ব।

ডিব্ৰুগড় জিলাৰ নাহৰকটীয়া বিধানসভা সমষ্টিৰ অন্তৰ্গত পি এম শ্ৰী নাহৰকটীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ত কালি বিধায়ক তৰংগ গগৈয়ে এই শিবিৰ উদ্বোধন কৰে। এই স্বাস্থ্য শিবিৰত সমষ্টিটোৰ ২৩৮ খনৰো অধিক বিদ্যালয় আৰু ৩০০টা অংগনৱাড়ী কেন্দ্ৰৰ শিশু আৰু কিশোৰ-কিশোৰীসকলক বিনামূলীয়াকৈ স্বাস্থ্য পৰীক্ষা কৰোৱা হয়। জিলাখনত অহা ২৫ অক্টোবৰত টিংখং বিধানসভা সমষ্টিৰ অন্তৰ্গত বামুণবাৰী উচ্চতৰ

মাধ্যমিক বিদ্যালয়, ২৭ অক্টোবৰত খোৰাঙৰ কুটুহা উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু ৩০ অক্টোবৰত দুলীয়াজান বিহুতলীত অন্তিমটো স্বাস্থ্য শিবিৰ অনুষ্ঠিত হ'ব।

ওদালগুৰি জিলাৰ টংলা সমষ্টিৰ অন্তৰ্গত টংলা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত কাইলৈ বৃহৎ স্বাস্থ্য শিৱিৰৰ আয়োজন কৰা হৈছে।

oooooooo

ৰাজ্যৰ চাহ বাগিচা অঞ্চলসমূহত স্বাস্থ্য সেৱাৰ সৰলীকৰণৰ উদ্দেশ্যে প্ৰধানমন্ত্ৰী চাহ শ্ৰমিক উদ্গনি যোজনাৰ অধীনত আজি ৮০ খন সঞ্জীৱনী বাহন মুকলি কৰা হ'ব। এই উপলক্ষে গুৱাহাটীৰ খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয় খেল পথাৰত এক বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থকাৰ কথা।

oooooooo

জনতাৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধা নিবেদনৰ বাবে কাইলৈ কংগ্ৰেছ দলৰ নেতা তথা লোকসভাত বিৰোধী পক্ষৰ নেতা ৰাহুল গান্ধী অসমলৈ আহিব। তেওঁ সোণাপুৰৰ কমাৰকুছিত থকা শিল্পীগৰাকীৰ শেষকৃত্যস্থলীলৈ গৈ শ্ৰদ্ধা নিবেদন কৰিব। শ্ৰী গান্ধীয়ে শিল্পীগৰাকীৰ বাসগৃহলৈ গৈ পৰিয়ালৰ লোককো সাক্ষাৎ কৰাৰ কথা।

oooooooo

পশ্চিম কাৰ্বি আংলং জিলা প্ৰশাসনে যোৱা ৯ অক্টোবৰত অসম-মেঘালয় সীমান্তৰ তাপাতত সংঘটিত সংঘৰ্ষত নিহত অৰিৱেল তিমুৰ মৃত্যুৰ দণ্ডাধীশ পৰ্য্যায়ৰ তদন্ত ঘোষণা কৰিছে। পশ্চিম কাৰ্বি আংলঙৰ অতিৰিক্ত জিলা দণ্ডাধীশ হিমাদ্ৰী শেখৰ বৰদলৈয়ে জাৰি কৰা নিৰ্দেশনা অনুসৰি, কাইলৈ খান্দুলিস্থিত সীমান্ত পহৰাচকীত অই সন্দৰ্ভত শুনানী গ্ৰহণ কৰা হ'ব। কোনো ব্যক্তি, সংগঠন বা বেচৰকাৰী সংস্থাই এই সন্দৰ্ভত যিকোনো তথ্য-প্ৰমাণ বা নথি লিখিতভাৱে দাখিল কৰিব পাৰিব। পুৱা ১১ বজাত এই প্ৰক্ৰিয়া আৰম্ভ হ'ব বুলি নিৰ্দেশনাত উল্লেখ কৰা হৈছে।

oooooooo

ঐতিহ্য সংগ্ৰহালয় দিৱস-২০২৫ৰ অংশ হিচাপে ৰাজ্য চৰকাৰক সংগ্ৰহালয় সঞ্চালকালয়, খিলঞ্জীয়া আৰু জনজাতীয় বিশ্বাস আৰু সংস্কৃতি বিভাগৰ উদ্যোগত অসমৰ ঐতিহ্য শীৰ্ষক এখন ৰীল প্ৰস্তুত প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। এই প্ৰতিযোগিতা সকলোৰে বাবে মুকলি থাকিব। প্ৰতিযোগিতাত অংশগ্ৰহণৰ অন্তিম তাৰিখ ৭ নবেম্বৰ ধাৰ্য্য কৰা হৈছে।

oooooooo

দক্ষিণ শালমাৰা মানকাচৰ জিলা প্ৰশাসন আৰু জিলা সমাজ কল্যাণ বিভাগৰ উদ্যোগত আজিৰে পৰা হাটশিঙিমাৰী মহাবিদ্যালয়ত জিলাখনৰ ৩০ গৰাকী যুৱতীক এমহীয়া দক্ষতা বিকাশৰ প্ৰশিক্ষণ প্ৰদান কাৰ্য্যসূচী অনুষ্ঠিত হৈছে। জিলাখনৰ নিবনুৱা যুৱতীসকলক আৰ্থিকভাৱে স্বাৱলম্বী কৰাৰ লগতে মহিলা সৰলীকৰণৰ উদ্দেশ্যে বেটী বচাও-বেটী পঢ়াও আঁচনিৰ অধীনত এই কাৰ্য্যসূচী গ্ৰহণ কৰা হৈছে।

oooooooo

সমাপ্ত